# ইউনাইটেড কিংডমলৈ মাৰ্চৰ ১২,২০১৪ তাৰিখৰ পৰা মাৰ্চৰ ১৪,২০১৪ তাৰিখলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ আনুষ্ঠানিক ভ্ৰমণ ।

মাৰ্চ ১৪,২০১৪

মাননীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী চালমান খুৰছীদ বৰ্তমান মাৰ্চৰ ১২,২০১৪ তাৰিখৰ পৰা মাৰ্চৰ ১৪,২০১৪ তাৰিখলৈ ইউনাইটেড কিংডম ভ্ৰমনত আছে ।

আজি মাৰ্চৰ ১৪ তাৰিখ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে কমনৱেলথ সচিবালয়ত কমনৱেলথ মন্ত্ৰীৰ একশ্বন গ্ৰুপৰ বৈঠকত অংশগ্ৰহন কৰিছে ।

মাৰ্চৰ ১৩ তাৰিখে তেওঁ ইউ.কেৰ বিদেশ মন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰে আৰু পূৰ্বতে অনুষ্ঠিত উচ্চস্তৰীয় বৈঠকত গ্ৰহন কৰা সিদ্ধান্ত সমূহৰ অগ্ৰগতি বিষয়কে সামৰি সম্প্ৰসাৰিত দ্বিপাক্ষিক বিষয় সমুহ আলোচনা কৰে ।ভাৰতৰ চুবুৰীয়া দেশৰ, মধ্য-পূৱ/পশ্চিম এছিয়া আৰু ইউৰোপৰ পৰিস্থিতি সম্বন্ধেও তেওঁলোকে আলোচনা কৰে ।দুয়োপক্ষই ঐক্যমত যে মুক্তভাৱে দুয়োপক্ষৰ সকলো মতামত বিনিময় কৰিলে সমগ্ৰ অঞ্চলটোত আৰু তাৰ সিপাৰলৈ শান্তি,সুৰক্ষা আৰু স্থিৰতা অনাৰ ক্ষেত্ৰত দুয়োপক্ষই এক উচ্চমানৰ বুজাপৰাত উপনীত হোৱাত সহায় হব ।দিনটোৰ আগভাগত শ্ৰী চালমান খুৰছিদে বৃটিছ সংসদ ভ্ৰমন কৰে আৰু সৰ্ব্বদলীয় সংসদীয় গ্ৰুপৰ সৈতে ভাৰত আৰু ইউ কেৰ মাজৰ সম্পৰ্ক সম্বন্ধে আৰু এই দ্বিপাক্ষীক সম্বন্ধক অধিক শক্তিশালী কৰাৰ বিষয়ত মতবিনিময় কৰে ।

১২ মাৰ্চ তাৰিখে দক্ষিন এছিয়া ইনষ্টিটিউট,এচ.ও.এ.এচ,লণ্ডন বিশ্ববিদ্যালয়ৰ আমন্ত্ৰন ক্ৰমে “ভাৰতবৰ্ষত গণতন্ত্ৰত এক প্ৰত্যাহ্বান” শীৰ্ষক বিষয়ত এক ছাত্ৰৰ সমদলক সম্বোধন কৰে ।

এই সপ্তাহৰ আগতে দুয়োপক্ষৰ উচ্চস্তৰীয় বিষয়া সকলে ইউ এন সুৰক্ষা পৰিষদ,ইউ.এন শান্তি ৰক্ষা আৰু ২০১৫ চনৰ পাচৰ উন্নয়ন এজেন্দা আৰু পশ্চিম এছিয়াত উন্নয়নৰ প্ৰসংগকে অন্তৰ্ভুক্ত কৰি বহুমুখী বিষয়সমুহৰ সম্বন্ধে,দুয়োপক্ষৰ মিলিত গুৰুত্ব থকা প্ৰসংগ সমুহ তেওঁলোকৰ চলিত বন্দবস্তৰ অংশ হিচাপে আলোচনা কৰিছিল ।